## অসম বিধান সভা
## ২০২৬ চনৰ ০৮ জুলাইত উত্তৰ দিবলগীয়া
## লিখিত প্ৰশ্ন নং – ১৩২

**বিষয়ঃ কলহী নদীৰ গৰাখহনীয়া সম্পৰ্কে।**

**শ্ৰী হিমাংশু শেখৰ বৈশ্য, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**
**- প্ৰশ্ন -**

পলাশবাৰী সমষ্টিৰ অন্তৰ্গত কলহী নদীৰ গৰাখহনীয়াৰ বাবে নৈপৰীয়া বহু গাঁৱৰ ৰাইজৰ ঘৰ-বাৰী উছন হৈছে। ৰাস্তা-ঘাট বিধ্বস্ত হৈছে। উক্ত অঞ্চলৰ গৰাখহনীয়া ৰোধৰ বাবে বিভাগীয় কৰ্তৃপক্ষই কিবা ব্যৱস্থা গ্ৰহণৰ পৰিকল্পনা কৰিছে নেকি?

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত সুশান্ত বৰগোহাঁই দেৱে উত্তৰ দিবঃ**
**– উত্তৰ –**

বৰ্তমান পলাশবাৰী সমষ্টিৰ অন্তৰ্গত কলহী নদী অৱবাহিকাৰ ক্ষয়প্ৰৱণ (Vulnerable) স্থানসমূহত চলি থকা গৰাখহনীয়া সমস্যা প্ৰতিৰোধ কৰাৰ উদ্দেশ্যে ২০২৬-২০২৭ বৰ্ষৰ Flood Drillৰ অধীনত অস্থায়ীভাৱে সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

ইয়াৰ উপৰিও সৰ্বাধিক ক্ষয়প্ৰৱণ (Most Vulnerable) স্থানসমূহত স্থায়ী প্ৰকৃতিৰ আৰ.চি.চি. (RCC) ৰিটেইনিং ৱাল (Retaining Wall) নিৰ্মাণৰ বাবে তলত উল্লেখ কৰা ৪ খন আঁচনি প্ৰস্তুত কৰা হৈছে।

1) "Construction of R.C.C. walls as Retaining wall along the Left Bank of River Kulsi at different locations of Balapara and Sinkhat area amounting to Rs.8.54 Cr."
2) "Construction of R.C.C. walls as Retaining wall along the right Bank of River Kulsi at different locations of Patarikhat and Makeli area amounting to Rs.9.92 Cr."
3) "Construction of R.C.C. walls as Retaining wall along the left Bank of River Kulsi at different locations of Makeli area amounting to Rs. 9.92 Cr."
4) "Protection of Panikhaity area along the R/B of river Kulsi from bank migration amounting to Rs.4.10 Cr."

যাৱতীয় অনুমোদন তথা পুঁজি আৱন্টন সাপেক্ষে আঁচনিসমূহ ৰূপায়ণ কৰা হ'ব।

তাৰোপৰি, কলহী নদী অৱবাহিকাৰ দুয়োপাৰে স্থায়ী সুৰক্ষা ব্যৱস্থা গ্ৰহণৰ উদ্দেশ্যে এক বিস্তৃত প্ৰাককলন প্ৰস্তুতকৰণৰ কাম চলি আছে আৰু অতি সোনকালে দাখিল কৰা হ'ব।

কলহী নদীৰ পুনৰুজ্জীৱনৰ বাবে "Rejuvenation of river Kulsi towards Kukurmara at bifurcation point of Kulsi at Kulsi Mukh under SDMF in Kamrup District of Assam" নামৰ আঁচনিখন প্ৰস্তুত কৰাৰ যো জা কৰা হৈছে। পুজিৰ উপলভ্যতা সাপেক্ষে আঁচনিখন ৰূপায়ণ কৰা যাব।

*( উক্ত প্ৰশ্নৰ সৈতে কোনো পৰিশিষ্ট অনলাইন যোগে দাখিল কৰিবলগা নাই আৰু উত্তৰসমূহ অনলাইন যোগে NeVA পৰ্টেলত আপলোড কৰা হৈছে )*

***********************************